পাঠ-1

সংখ্যাৰ গঠন
(Structure of Numbers)

বজাৰত এদিন

মণিয়ে এদিন মাকৰ লগত কিতাপ, টিফিন বাকচ আৰু স্কুল বেগ কিনিবলৈ বজাৰলৈ গ'ল। মাকৰ হাতত 3650 টকা আছিল। মণিয়ে 1270 টকাৰে কিতাপ, ভন্টি আৰু ভাইটিৰ বাবে 805 টকাৰে টিফিন বাকচ আৰু স্কুল বেগ কিনিলে।

টকাৰ পৰিমাণবিলাক লিখা আৰু মণিশলাৰ সহায়ত দেখুওৱা।

মাকৰ হাতত থকা টকাৰ পৰিমাণ

হাজাৰ	শতক	দহক	একক
3	6	5	0



কিতাপৰ বাবদ খৰচ হোৱা টকাৰ পৰিমাণ

হাজাৰ	শতক	দহক	একক



স্কুল বেগ আৰু টিফিন বাকচৰ বাবে খৰচ হোৱা টকাৰ পৰিমাণ

হাজাৰ	শতক	দহক	একক



মুঠ খৰচ হোৱা টকাৰ পৰিমাণ

হাজাৰ	শতক	দহক	একক



বাকী থকা টকাৰ পৰিমাণ

হাজাৰ	শতক	দহক	একক



1. তলৰ সংখ্যা কেইটা আখৰেৰে লিখা

(a) 3102 ....

(b) 4300 ....

(c) 1266 ....

(d) 29,008 ....

(e) 15,927 ....

2. অংকেৰে লিখা

(a) তিনি হাজাৰ দু শ পঞ্চাশ — 3250

(b) বাৰ হাজাৰ সাত শ আশী — 12780

(c) পঁচিশ হাজাৰ তিনি শ চাৰি — 25304

(d) এক লাখ চৌত্ৰিছ হাজাৰ সাত শ চাৰি — 134704

3. তলত দিয়া সংখ্যাকেইটাৰ পৰা আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ সৰু সংখ্যাটো নিৰ্ণয় কৰা।

(a) 7372, 4927, 317, 69875, 650 , 600

আটাইতকৈ ডাঙৰ সংখ্যাটো	আটাইতকৈ সৰু সংখ্যাটো
69875	317

(b) 2853, 8691, 9999, 13001, 123,600

আটাইতকৈ ডাঙৰ সংখ্যাটো	আটাইতকৈ সৰু সংখ্যাটো
13001	123

4. 7, 8, 3, 5 অংককেইটাৰে লিখিব পৰা আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ সৰু সংখ্যাটো লিখা।

আটাইতকৈ ডাঙৰ ☐ আটাইতকৈ সৰু ☐

5. 2, 8, 5 ৰে, কোনো এটা অংক এবাৰতকৈ বেছি ব্যৱহাৰ কৰি, চাৰি অংকবিশিষ্ট আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ সৰু সংখ্যাটো লিখা।

আটাইতকৈ ডাঙৰ ☐ আটাইতকৈ সৰু ☐

6. 3, 7, 0, 5 বে কোনো এটা অংক এবাৰতকৈ বেছি ব্যৱহাৰ কৰি, পাঁচটা অংকবিশিষ্ট আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ সৰু সংখ্যাটো লিখা।

আটাইতকৈ ডাঙৰ [ ] আটাইতকৈ সৰু [ ]

7. তলৰ সংখ্যাবোৰ উৰ্ধ্বক্রমত সজোৱা
96,259; 20,635; 96,025; 87,562; 70,025

96,259	96,025	87,562	70,025	20,635

8. তলৰ সংখ্যাবোৰ অধঃক্রমত সজোৱা
50,000; 74,002; 78,162; 85,715; 60,035

50,000	60,035	74,002	78,162	85,715.

9. তলৰ সংখ্যাবোৰ বিস্তৃত ৰূপত লিখা

(a) 3520 (b) 2222 (c) 2098
(d) 98,810 (e) 65,006 (f) 99,999

10. তলৰ আঁচ দিয়া সংখ্যাবোৰৰ স্থানীয়মান লিখা

(a) 9146 (b) 4362 (c) 7405
(d) 5651 (e) 6065 (f) 7050
(g) 9209 (h) 24652 (i) 86,702
(j) 30,725 (k) 5 8982 (l) 79012

চেষ্টা কৰা

1. 58,972 সংখ্যাটোত 8 আৰু 5 ৰ স্থানীয় মান লিখা।
2. 99,999 সংখ্যাটো বিস্তৃত ৰূপত লিখা।
3. 80,023 সংখ্যাটো আখৰেৰে লিখা।

জানি লওঁ আহা

চাৰি অংকবিশিষ্ট আটাইতকৈ ডাঙৰ সংখ্যাটো হ'ল 9999, ইয়াৰ লগত এক যোগ কৰিলে পাঁচটা অংক বিশিষ্ট আটাইতকৈ সৰু সংখ্যাটো পোৱা যায়।

অৰ্থাৎ, 9999 +1= 10,000

পাঁচটা অংকবিশিষ্ট আটাইতকৈ ডাঙৰ সংখ্যাটো হ'ল 99999; ইয়াৰ লগত এক যোগ কৰিলে 6 টা অংকবিশিষ্ট আটাইতকৈ সৰু সংখ্যাটো পোৱা যায়।

অৰ্থাৎ, 99999 +1= 100000

সংখ্যাটো ইয়াত 100000; লিখোঁতে আমি ভাৰতীয় পদ্ধতি মতে 1,00,000 বুলি লিখোঁ আৰু পঢ়োঁতে এক লাখ বুলি পঢ়োঁ।

উদাহৰণ ঃ

সংখ্যা	লাখ	দহ হাজাৰ	হাজাৰ	শতক	দহক	একক
4,57,628	4	5	7	6	2	8
5,34,216	5	3	4	2	1	6
4,37,592	4	3	7	5	9	2

4,57,628 সংখ্যাটো আমি 4 লাখ 57 হাজাৰ 6 শ আঠাইছ বুলি পঢ়োঁ।
বাকী দুটা সংখ্যা নিজে পঢ়িবলৈ চেষ্টা কৰা

জানি লওঁ আহা

10,00,000 সংখ্যাটোৰ লগত পৰিচয় ঃ

ছয় অংকবিশিষ্ট আটাইতকৈ ডাঙৰ সংখ্যাটো হ'ল 999999, এই সংখ্যাটোৰ লগত এক যোগ কৰিলে কি পোৱা চোৱাচোন।

999999 +1= 1000000, এইটো সাতটা অংকযুক্ত আটাইতকৈ সৰু সংখ্যা।

সংখ্যাটো হৈছে দহ লাখ বা 1 নিযুত। **ভাৰতীয় পদ্ধতিমতে লিখোতে 10,00,000 বুলি লিখোঁ।**

চেষ্টা কৰা

1. তলৰ সংখ্যাকেইটা বিস্তৃত ৰূপত লিখা

$4,57,628 = 4\times100000 + 5\times10000 + 7\times1000 + 6\times100 + 2\times10 + 8\times1$

5,48,393 = 5×100000+4×10000+8×1000+3×100+9×10 3×1

3,740,156 = ...

2. তলৰ সংখ্যাকেইটা ভাৰতীয় পদ্ধতি মতে লিখা

সংখ্যা	দহ লাখ	লাখ	দহ হাজাৰ	হাজাৰ	শতক	দহক	একক
72,34,560	7	2	3	4	5	6	0
62,31,315	6	2	3	1	8	1	5
86,45,234	8	6	4	5	2	3	4

3. লিখিবলৈ বৈ যোৱা খালী স্থানত প্ৰয়োজনীয় তথ্য লিখা

সংখ্যা	দহ লাখ	লাখ	দহ হাঃ	হাঃ	শঃ	দঃ	এঃ	সংখ্যাৰ নাম	বিস্তৃত ৰূপ
8,25,431	–	8	2	5	4	3	1	আঠ লাখ পঁচিছ হাজাৰ চাৰি শ একত্ৰিছ	$8\times1,00,000$ $+2\times10,000$ $+5\times1,000$ $+4\times100$ $+3\times10$ $+1\times1$
51,76,432	5	1	7	6	4	3	2	....	

4. 7,91,207 সংখ্যাটোত 7, 9 আৰু 0 ৰ স্থানীয় মান কি কি হ'ব?
5. 6,42,039 সংখ্যাটো আখৰেৰে লিখা।
6. 39,40,444 সংখ্যাটোৰ বিস্তৃত ৰূপ লিখা।
7. 86,47,903 সংখ্যাটোত 8, 6, 7 ৰ স্থানীয় মান লিখা আৰু সংখ্যাটো আখৰেৰে লিখা।
8. 74,09,777 ক বিস্তৃত ৰূপত লিখা।

1,00,00,000 সংখ্যাটোৰ লগত পৰিচয় ঃ

সাতটা অংকবিশিষ্ট আটাইতকৈ ডাঙৰ সংখ্যাটো হ'ল 9999999, এই সংখ্যাটোৰ লগত এক যোগ কৰিলে আঠটা অংকৰে লিখিব পৰা আটাইতকৈ সৰু সংখ্যাটো পোৱা যায়।

9999999 +1= 10000000

সংখ্যাটো হ'ল এক **কোটি**। ভাৰতীয় পদ্ধতি মতে লিখোতে **1,00,00,000** বুলি লিখা হয়।

তলত দেখুওৱাৰ দৰে সংখ্যাবোৰ কোটিলৈকে অন্তৰ্ভুক্ত কৰোঁ আহা

সংখ্যা	কোটি	দহ লাখ	লাখ	দহ হাজাৰ	হাজাৰ	শতক	দহক	একক	সংখ্যাৰ নাম
8,90,20,120	8	9	0	2	0	1	2	0	আঠ কোটি নব্বৈ লাখ বিছ হাজাৰ এশ বিছ
7,53,07,608	7	5	3	0	7	6	0	8	সাত কোটি তিপন্ন লাখ [illegible] হাজাৰ

করি চাওঁ আহা

1. তলৰ সংখ্যাকেইটা বিস্তৃত ৰূপত লিখোঁ আহা

   (i) 8,90,20,120 = 8 10000000+9 1000000+0 100000+2 10000+
   0×1000 +1 100+2 10+0 1

   (ii) 5,05,53,624 = 6 10000000 +0 1000000+5 100000 +5 10000 + 3 1000+ 6 100 2 10 4 1

   (iii) 6,84,65,804 = ...

   (iv) 4,30,26,532 = ...

2. 8,05,64,021 সংখ্যাটো আখৰেৰে লিখা।

3. 5,93,20,067 সংখ্যাটোৰ 5, 9 আৰু 2 ৰ স্থানীয় মান লিখা।

4. কিমান হ'ব লিখা

   10 – 1 = ...

   100 – 1 = ...

   1000 – 1 = ...

   10000 – 1 = ...

   100000 – 1 = ...

   1000000 – 1 = ...

   10000000 – 1 = ...

   100000000 – 1 = ...

স্থানীয় মান ঃ (Place Value)

দহ হাজাৰ স্থানলৈ স্থানীয় মানৰ তালিকাখন এবাৰ মনত পেলাই চাওঁ আহা

হাজাৰৰ গোট		এককৰ গোট		
দহ হাজাৰ Ten Thousand	হাজাৰ Thousand	শতক Hundred	দহক Ten	একক One
10000 পাঁচটা অংক	1000 চাৰিটা অংক	100 তিনিটা অংক	10 দুটা অংক	1 এটা অংক

জানি লওঁ আহা

সংখ্যা লিখাৰ ভাৰতীয় পদ্ধতি ঃ Indian System of Numeration

কোটিৰ গোট		লাখৰ গোট		হাজাৰৰ গোট		এককৰ গোট		
দহ কোটি Ten Crore	এক কোটি Crore	দহ লাখ বা এক নিযুত Ten Lakh	এক লাখ Lakh	দহ হাজাৰ বা এক অযুত Ten Thousand	এক হাজাৰ Thousand	শতক Hundred	দহক Ten	একক One
100000000	10000000	1000000	100000	10000	1000	100	10	1
9 টা অংক	8 টা অংক	7 টা অংক	6 টা অংক	5টা অংক	4টা অংক	3টা অংক	2টা অংক	1টা অংক

সংখ্যা লিখাৰ আন্তৰ্জাতিক পদ্ধতি ঃ **International System of Numeration**

বিলিয়নৰ গোট (Billion)			মিলিয়নৰ গোট (Million)			হাজাৰৰ গোট			এককৰ গোট		
এশ বিলিয়ন	দহ বিলিয়ন	বিলিয়ন	এশ মিলিয়ন	দহ মিলিয়ন	মিলিয়ন	এশ হাজাৰ	দহ হাজাৰ	হাজাৰ	শতক	দহক	একক
100000000000	10000000000	1000000000	100000000	10000000	1000000	100000	10000	1000	100	10	1

জানি লওঁ আহা

মিলিয়নতকৈ ডাঙৰ সংখ্যাবোৰক প্ৰকাশ কৰিবলৈ আন্তৰ্জাতিক পদ্ধতিত বিলিয়ন ব্যৱহাৰ কৰা হয়।

1 বিলিয়ন = 1000 মিলিয়ন

জানানে ?
কিমান লাখত এক মিলিয়ন হয় ?
কিমান মিলিয়নত এক কোটি হয় ?

তালিকা দুখন তুলনা কৰি কি পালো চাওঁ আহা

10 লাখ = 10,00,000 = 1,000,000 এক মিলিয়ন

1000 মিলিয়ন = 1 বিলিয়ন

100 হাজাৰ = 100,000 = 1,00,000 = 1 লাখ

এশ কোটি = 1 বিলিয়ন

এক কোটি = 10000000 = 10 মিলিয়ন

কমাৰ ব্যৱহাৰ

ডাঙৰ সংখ্যা লিখোঁতে আমি কমা (,) ব্যৱহাৰ কৰোঁ। ভাৰতীয় পদ্ধতিত একক, দহক, শতক, হাজাৰ আৰু তাৰ পিছত লাখ আৰু কোটি ব্যৱহাৰ কৰোঁ। হাজাৰ, লাখ আৰু কোটি ব্যৱহাৰ কৰিবলৈ কমাবোৰ ব্যৱহাৰ হয়। প্ৰথম কমাটো আছে শতকৰ ঘৰৰ পিছত (সোঁহাতৰ পৰা তৃতীয় স্থান) আৰু ই হাজাৰ সূচায়। ইয়াৰ পৰা দুটা স্থানৰ পিছত (সোঁহাতৰ পৰা পঞ্চম স্থান) দ্বিতীয় কমাটো আছে। ই দহ হাজাৰ স্থানৰ পিছত আছে আৰু ই লাখ সূচায়। তৃতীয় কমাটো তাৰ ঠিক দুটা স্থানৰ পিছত (সোঁহাতৰ পৰা 7টা স্থান) আছে। ই দহ লাখৰ পিছত আছে আৰু কোটি সূচায়। (সংখ্যাৰ নাম লিখোঁতে কমাৰ ব্যৱহাৰ কৰা নহয়।)

আন্তৰ্জাতিক পদ্ধতিত একক, দহক, শতক, হাজাৰ আৰু পিছত মিলিয়ন আছে। সোঁহাতৰ পৰা প্ৰতি তিনিটা অংকৰ (স্থানৰ) পিছত কমাবোৰ ব্যৱহাৰ হয়। প্ৰথম কমাই হাজাৰ আৰু দ্বিতীয় কমাই মিলিয়ন সূচায়।

উদাহৰণ- 1 ঃ ভাৰতীয় আৰু আন্তৰ্জাতিক দুয়োটা পদ্ধতিত কমা ব্যৱহাৰ কৰি সংখ্যা লিখা।

82540324

ভাৰতীয় পদ্ধতিত ঃ 8,25,40,324

আখৰেৰে ঃ আঠ কোটি পঁচিশ লাখ চল্লিছ হাজাৰ তিনি শ চৌব্বিছ।

আন্তৰ্জাতিক পদ্ধতিত ঃ 82,540,324

আখৰেৰে ঃ বিৰাশী মিলিয়ন পাঁচ শ চল্লিছ হাজাৰ তিনি শ চৌব্বিছ।

উদাহৰণ- 2 ঃ 72045389 সংখ্যাটোৰ 2 আৰু 5ৰ ভাৰতীয় আৰু আন্তৰ্জাতিক পদ্ধতিত স্থানীয়মান লিখা।

ভাৰতীয় পদ্ধতিত ঃ 7,20,45,389

2ৰ স্থানীয়মান 2 নিযুত বা 2 দহ লাখ = 2×10,00,000 = 20,00,000

5ৰ স্থানীয়মান 5 হাজাৰ = 5×1,000 = 5,000

আন্তৰ্জাতিক পদ্ধতিত ঃ 72,045,389

2ৰ স্থানীয়মান 2 মিলিয়ন = 2×1,000,000 = 2,000,000

5ৰ স্থানীয়মান 5 হাজাৰ = 5×1,000 = 5,000

নিজে কৰা

(a) কমা ব্যৱহাৰ কৰি অংকৰে লিখা

(i) পয়সত্তৰ লাখ ঊনসত্তৰ হাজাৰ তিনিশ সাত।

(ii) ন কোটি এঘাৰ লাখ এৰৈকশ হাজাৰ দুশ দুই।

(iii) পঞ্চাশ মিলিয়ন আঠশ এক হাজাৰ পাঁচশ বিৰান্নৈব।

(iv) আঠাৰন মিলিয়ন চাৰিছ হাজাৰ দুশ দুই।

(b) ভাৰতীয় প্ৰণালীত শুদ্ধকৈ কমা বহুওৱা-

(i) 97057201 (ii) 99990046 (iii) 98423107

(c) আন্তৰ্জাতিক প্ৰণালীত শুদ্ধকৈ কমা বহুওৱা

(i) 79821902 (ii) 99958102 (iii) 48094381

(d) তলৰ খালী ঠাইত উপযুক্ত সংখ্যা বহুওৱা

1,00,000 = ______ দহ হাজাৰ = ______ শ = ______ দহ

94,35,992 = ______ + ______ + ______ + ______ + ______ + ______ + ______

(e) বিস্তৃত ৰূপত লিখা -

(i) 2,76,36,708 (ii) 54,30,36,706

(f) তলৰ আঁচ টনা অংককেইটাৰ ভাৰতীয় আৰু আন্তৰ্জাতিক পদ্ধতিত স্থানীয়মান লিখা।

(i) 8 7 4 5 6 2 1 0 (ii) 7 8 9 9 9 9 (iii) 6 0 2 0 0 5 4 7

(g) সংখ্যাবোৰত কমা (,) বহুওৱা (ভাৰতীয় পদ্ধতি আৰু আন্তৰ্জাতিক পদ্ধতিত)

42613287 3000090 4654489 1145275

(h) 10 কোটিত কিমানটা অংক আছে?

(i) আন্তৰ্জাতিক পদ্ধতিত 10 লাখৰ সমতুল্য স্থানীয়মান কি?

(j) এখন চহৰৰ জনসংখ্যা 11528735। ইয়াৰে 1357632 জন মানুহে চাকৰি কৰে। বাকী মানুহবোৰে ব্যৱসায় কৰে। চহৰখনৰ কিমানজন মানুহে ব্যৱসায় কৰে?

(k) এখন চাইকেলৰ দাম 5,300 টকা হ'লে 20 খন চাইকেলৰ দাম কিমান হ'ব?

(l) এক কাৰ্টন চাহপাতৰ দাম 5000 টকা হ'লে তেনে 100 টা কাৰ্টনৰ দাম কিমান হ'ব ভাৰতীয় পদ্ধতিত লিখা।

(m) ইউৰোপ ভ্ৰমণ কৰিবলৈ গাইপতি 2,50,000 টকা খৰচ কৰিলে পাঁচজন মানুহৰ মুঠতে কিমান টকা খৰচ হ'ব আন্তৰ্জাতিক পদ্ধতিত লিখা।

অনুমান ঃ (Estimation)

আমাৰ জিলাখনৰ মুঠ জনসংখ্যা কিমান বুলি সুধিলে আমি নিশ্চয় সঠিক মান ক'ব নোৱাৰিম। প্ৰায় 25 হাজাৰজন বা প্ৰায় 3 লাখ জন এনেদৰে ক'ব লাগিব। গতিকে দেখা যায় যে কিছুমান ক্ষেত্ৰত প্ৰকৃত সংখ্যাতকৈ মোটামুটিকৈ এটা সংখ্যা আমি অনুমান কৰি লওঁ। ইয়ে শুদ্ধ উত্তৰৰ প্ৰায় ওচৰে পাজৰে থকাত সহায় কৰে। এয়াই হ'ল আনুমানিক মান।

উদাহৰণ স্বৰূপে আমি কওঁ ঃ
- প্ৰায় 2000 মানুহ বিহুতলীলৈ গৈছিল।
- প্ৰায় 400 মানুহ মেলালৈ আহিছে।

1. **নিকটতম দহলৈ অনুমান ঃ**

চিত্ৰ 1

চিত্ৰ 1ত 0 আৰু 10ৰ ঠিক মাজৰ সংখ্যা হ'ল 5;

অনুমানৰ ক্ষেত্ৰত,

5 তকৈ সৰু সংখ্যাক বাদ দিব পাৰি অৰ্থাৎ, সিহঁতৰ লঘিষ্ঠ মান 0 ল'ব পাৰি

আকৌ 5 আৰু 5তকৈ ডাঙৰ আৰু 10তকৈ সৰু সংখ্যাক 10 বুলিয়ে 'অনুমান' কৰিব পাৰি।

তেন্তে 1, 2, 3, 4 $\xrightarrow{\text{অনুমান}}$ 0

আৰু 5, 6, 7, 8, 9, 10 $\xrightarrow{\text{অনুমান}}$ 10

2. **যদিহে 100 লৈ 'অনুমান' কৰিব লাগে, তেন্তে সংখ্যাৰেখাৰ এই ৰেখাখণ্ডত চাই লওঁ আহা**

চিত্ৰ 2

এই চিত্ৰত ঠিক মাজৰ সংখ্যা হ'ল 50

50তকৈ সৰু সংখ্যাৰ 'অনুমান' 00 (দুই অংকযুক্ত)

50 আৰু 50 তকৈ ডাঙৰ কিন্তু 100তকৈ সৰু সংখ্যাৰ অনুমান 100 (তিনি অংকযুক্ত)

3. একেদৰে যদি **1000** লৈ 'অনুমান' কৰিব লাগে, তেন্তে তলৰ ৰেখাখণ্ড ডাল লওঁ আহা

চিত্ৰ 3

এই চিত্ৰত ঠিক মাজৰ সংখ্যা হ'ল 500
গতিকে 500 তকৈ সৰু সংখ্যাৰ বাবে 0 আৰু 500 বা তাতোকৈ ডাঙৰ কিন্তু 1000তকৈ সৰু সংখ্যাক 1000 বুলিয়ে অনুমান কৰিম।

(i) **দহকত 8ৰ অনুমান –**

$5 < 8$, গতিকে 8ৰ অনুমান 10

(ii) **শতকত 22ৰ অনুমান –**

$22 < 50$, গতিকে 22ৰ অনুমান 00ৰ

(iii) **শতকত 89ৰ অনুমান –**

$50 < 89$, গতিকে 89ৰ অনুমান 100

(iv) **বিভিন্ন এককত 893ৰ অনুমান–**



$893 = 800 + 90 + 3$

চিত্ৰ নং 1 মতে 3<5, গতিকে 3ৰ অনুমান 0

এতিয়া 893 = 800 +90 অৰ্থাৎ 893ৰ দশকত অনুমান 890

চিত্ৰ নং 2 মতে 50<90, গতিকে 90ৰ অনুমান 100

গতিকে 893= 800 + 100 = 900 অৰ্থাৎ 893ৰ শতকত অনুমান 900

চিত্ৰ নং 3 মতে 500<900, গতিকে 900ৰ হাজাৰত অনুমান 1000

সহজে মনত ৰাখোঁ আহা

(i) 22ৰ 2 ৰ বাবে 0, গতিকে 22 ⟶ 20

(ii) 89ৰ 9ৰ বাবে 10, গতিকে 89 ⟶ 80+10 =90

(iii) 893ৰ 93 ৰ বাবে 100, গতিকে 890 ⟶ 800 + 100 = 900

(iv) 8935ৰ 935ৰ বাবে 1000, গতিকে 8935 ⟶ 8000 + 1000 = 9000

আনুমানিক যোগফল উলিৱাও আহা

628 + 15820 (শতকলৈ অনুমান কৰি)

প্ৰথম 628 ৰ 28 00 গতিকে 628 → 600 + 00 = 600

15820 ৰ 20 00 গতিকে 15820 → 15800 + 00 = 15800

গতিকে আনুমানিক যোগফল 600 + 15800 = 16400

প্ৰকৃততে যোগফল 628+15820 = 16448

আসন্নমান

উদাহৰণ 1 ঃ 178 ৰ নিকটতম শতকলৈ আসন্নমান নিৰূপণ

সমাধান ঃ 178 = 100 + 78

50 < 78, গতিকে 78 → 100

∴ 178 ৰ নিৰ্ণেয় আসন্নমান = 100 + 100 = 200

উদাহৰণ 2 ঃ 223 ৰ নিকটতম শতকলৈ আসন্নমান নিৰূপণ

সমাধান ঃ 223 = 200 + 23

23 < 50, গতিকে 23 → 00

∴ 223 ৰ নিৰ্ণেয় আসন্নমান = 200 + 00 = 200

উদাহৰণ 3 ঃ 4973 ৰ নিকটতম শতকলৈ আসন্নমান নিৰূপণ

সমাধান ঃ 4973 = 4900 + 73

50 < 73, গতিকে 73 → 100

∴ নিৰ্ণেয় আসন্নমান = 4900 + 100 = 5000

উদাহৰণ 4 ঃ 3209 ৰ নিকটতম শতকলৈ অসন্নমান নিৰূপণ

সমাধান ঃ 3209 = 3200 + 9

9 < 50, গতিকে 9 → 00

∴ নিৰ্ণেয় আসন্নমান = 3200 + 00 = 3200

উদাহৰণ 5 ঃ 2560ৰ নিকটতম হাজাৰলৈ মান নিৰূপণ

সমাধান ঃ 2560 = 2000 + 560

500 < 560, গতিকে 560 → 1000

∴ নিৰ্ণেয় আসন্নমান = 2000 + 1000 = 3000

উদাহৰণ 6 ঃ নিকটতম হাজাৰলৈ আসন্নমান নিৰ্ণয়

15318, 14892, 16489

সমাধান ঃ

চিত্ৰৰ পৰা পাওঁ যে 15318 ৰ 318<500 । গতিকে 318 → 000

গতিকে নিকটতম হাজাৰলৈ **15318** ৰ আসন্নমান = 15000 + 000 = 15000

14892ৰ ক্ষেত্ৰত, 892>500 গতিকে 892 → 1000

গতিকে **14892** ৰ নিকটতম হাজাৰলৈ আসন্নমান = 14000 + 1000 = 15000

আকৌ **16489**ৰ ক্ষেত্ৰত, 489<500, গতিকে 489 → 000

গতিকে **16489** ৰ হাজাৰলৈ নিকটতম আসন্নমান = 16000 + 000 = 16000

উদাহৰণ 7 ঃ 3289 ৰ নিকটতম দহকলৈ/শতকলৈ/হাজাৰলৈ আসন্নমান কিমান হ'ব উলিওৱা

সমাধান ঃ নিকটতম দহকলৈ চাব লাগে

3289 = 3280 + 9, 5 < 9, 9 10

গতিকে নিকটতম দহকলৈ আসন্নমান 3280 +10 =3290

এতিয়া নিকটতম শতকলৈ চাব লাগে

3289 = 3200 + 89, 50 < 89, 89 100

গতিকে নিকটতম শতকলৈ আসন্নমান 3200 +100 =3300

এতিয়া নিকটতম হাজাৰলৈ চাব লাগে

3289 = 3000 + 289, 289 → 000, কিয়নো 289 < 500

গতিকে 3289ৰ নিকটতম হাজাৰলৈ আসন্নমান 3000 +000 =3000

নিজে কৰা

1. তলত দিয়াবোৰ মিলোৱা ঃ

সংখ্যা	নিকটতম আসন্নমান
28 (দহলৈ)	100
99 (দহলৈ)	100
97 (দহলৈ)	3200
243 (দহলৈ)	370
351 (দহলৈ)	30
367 (দহলৈ)	4000
4050 (শতকলৈ)	240
3222 (শতকলৈ)	350
49,630 (হাজাৰলৈ)	900
889 (শতকলৈ)	50,000
2223 (হাজাৰলৈ)	2000

2. তলৰ সংখ্যাকেইটাক নিকটতম দহলৈ মান নিৰ্ণয় কৰা।

23, 7, 5, 4, 27, 39, 44, 273, 302, 5432, 1490, 1555

3. তলৰ সংখ্যাকেইটাক নিকটতম শতকলৈ মান নিৰ্ণয় কৰা।

410, 481, 9547, 5650, 4650, 49630, 69999, 799999

4. তলৰ সংখ্যাকেইটাক নিকটতম হাজাৰলৈ মান নিৰ্ণয় কৰা।

9562, 53554, 64347, 873412, 8694591

সংখ্যাৰ সৰু ডাঙৰ চাওঁ আহা

চাৰিটা অংক বিশিষ্ট দুটা সংখ্যা লওঁ আহা। সংখ্যা দুটাৰ মাজত ডাঙৰ, সৰু তুলনা কৰিবলৈ প্ৰথমে হাজাৰৰ ঘৰৰ অংক দুটা তুলনা কৰিব লাগিব। যিটো সংখ্যাৰ হাজাৰৰ অংকটো ডাঙৰ, সেই সংখ্যাই ডাঙৰ। যদি হাজাৰৰ ঘৰৰ অংক দুটাৰ মান সমান, তেন্তে, শতকৰ ঘৰৰ অংক দুটা তুলনা কৰিব লাগিব। শতকৰ ঘৰৰ অংক দুটা একে হ'লে দহকৰ ঘৰলৈ আৰু দহকৰ ঘৰৰ অংক দুটা একে হ'লে এককৰ ঘৰৰ অংকটো চাব লাগিব।

উদাহৰণ 1. 3872 আৰু 2524 সংখ্যা দুটাৰ তুলনা।

সমাধান ঃ দুয়োটাতে সমসংখ্যক অংক আছে।

3872ৰ হাজাৰৰ ঘৰৰ অংক হ'ল 3

2572 ৰ হাজাৰৰ ঘৰৰ অংক হ'ল 2

যিহেতু, 3>2

গতিকে 3872 সংখ্যাটো 2574তকৈ ডাঙৰ।

উদাহৰণ 2. 5432 আৰু 5368 সংখ্যা দুটাৰ তুলনা।

দুয়োটা সংখ্যাৰে হাজাৰৰ অংক দুটা সমান 5, 5।

গতিকে শতকৰ ঘৰৰ অংক দুটা চাব লাগিব।

5432ৰ শতকৰ ঘৰৰ অংক হ'ল 4

5368ৰ শতকৰ ঘৰৰ অংক হ'ল 3

যিহেতু, 4> 3

গতিকে 5432 > 5368 অৰ্থাৎ 5432 সংখ্যাটো ডাঙৰ।

উদাহৰণ 3. 3874 আৰু 3872 সংখ্যা দুটাৰ তুলনা।

ইয়াত হাজাৰ, শতক, দহকৰ ঘৰৰ অংক একে।

এতিয়া সংখ্যা দুটাৰ এককৰ ঘৰৰ অংক চাব লাগিব।

যিহেতু, 4 > 2

গতিকে 3874 > 3872।

অৰ্থাৎ, 3874 সংখ্যাটো ডাঙৰ।

নিজে কৰা

1. **খালী ঠাইত '>' বা '=' বা '<' চিন বহুওৱা**

(i) 38640 [<] 48694 (ii) 20643 [<] 22000

(iii) 100200 [<] 300100 (iv) 2000200 [<] 200002000

(v) 27856145 [>] 27840561 (vi) 87456210 [<] 91024562

2. **উৰ্ধ্বক্ৰমত সজোৱা**

5245678, 4365710, 2378671, 4638690, 3676532, 4276549

3. **অধঃক্ৰমত সজোৱা**

6478546, 4756435, 2186458, 3653870, 7416543, 4739841

পৰিস্থিতি সাপেক্ষে কৰা মোটামুটি হিচাপ

কেতিয়াবা পৰিস্থিতি সাপেক্ষে সোনকালে উত্তৰ উলিয়াব লগা হয়। যেনে- কিছুমান প্ৰয়োজনীয় সামগ্ৰী কিনিবৰ কাৰণে বজাৰলৈ যাব লগা হ'ল। কি কি বস্তু কিনিম সেই সিদ্ধান্ত সোনকালে ল'ব লগা হ'ল। তেনে পৰিস্থিতিত বজাৰলৈ যাবলৈ কিমান টকা লাগিব মনতে গণনা কৰি অনুমান কৰিব লাগিব। এই আনুমানিক গণনাই হ'ব কিনিবলগীয়া বস্তুৰ দাম।

আনুমানিক যোগফল

উদাহৰণ 1 : 5280 + 15820

এতিয়া আমি সংখ্যা দুটাৰ হাজাৰলৈ আনুমানিক মান উলিয়াম।

5280 ৰ আসন্নমান হ'ল 5000, 15820 ৰ আসন্নমান হ'ল 16,000 ।

আনুমানিক যোগফল 16000 + 5000 = 21000

প্ৰকৃত যোগফল 5280 +15820 = 21100

দেখা গ'ল আনুমানিক যোগফল প্ৰকৃত যোগফলৰ প্ৰায় ওচৰা ওচৰি।

মোটামুটিকৈ বিয়োগফল

7,683 আৰু 6230

7,683ৰ হাজাৰলৈ আসন্নমান = 8,000

6230 ,, ,, ,, ,, = 6,000

∴ মোটামুটি বিয়োগফল = 8,000

− 6,000

2,000

নিজে কৰা

1. এজন ব্যৱসায়ীয়ে তেওঁৰ দুটা ব্যৱসায়ৰ পৰা এটা বছৰত 33,669 টকা আৰু 25,784 টকা উপাৰ্জন কৰে। বছৰটোত তেওঁৰ মুঠ উপাৰ্জন আসন্নমানত উলিওৱা।

33,669 ৰ হাজাৰলৈ আসন্নমান = ...

25784 ৰ হাজাৰলৈ আসন্নমান = ...

মুঠ উপাৰ্জন = ...

2. মোটামুটিকৈ যোগ কৰোঁ আহা

(i) 7,380 আৰু 29,786 (ii) 525 আৰু 995 (iii) 1274 আৰু 1896

3. মোটামুটিকৈ বিয়োগ কৰা

(i) 38925− 23473 (ii) 875−521 (iii) 697−521

পূৰণৰ মোটামুটি হিচাপ

উদাহৰণ 1 ঃ 218 × 68 ৰ মোটামুটি পূৰণফল নির্ণয় কৰোঁ আহা

পূৰণ কৰিবলগীয়া সংখ্যা দুটাৰ সিহঁতৰ সৰ্বাধিক স্থানলৈ নিকটতম আসন্নমান হ'ল-

218ৰ নিকটতম শতকলৈ আসন্নমান = 200

68 ,, দহকলৈ ,, ,, = 70

∴ মোটামুটি পূৰণফল = 200×70

= 14,000

উদাহৰণ 2 ঃ 479 × 192 ৰ মোটামুটি পূৰণফল

479ৰ শতকলৈ আসন্নমান = 500

192 ,, ,, ,, = 200

∴ মোটামুটি পূৰণফল = 500×200

= 1,00,000

আসন্নমান লৈ কৰি চোৱা ঃ

1. 5267 + 369 (দহক/শতক/হাজাৰলৈ)
2. 30295 + 4320 (দহক/শতক/হাজাৰলৈ)
3. 8999 + 7025 (শতক/হাজাৰলৈ)
4. 72 × 13 (দহকলৈ)
5. 60 × 21 (দহকলৈ)
6. 111 × 11 (দহকলৈ)
7. 119 × 29 (দহকলৈ)
8. 349 × 59 (দহক/শতকলৈ)

[শিক্ষকলৈ নির্দেশনা ঃ শিক্ষকে ছাত্র-ছাত্রীক নিজে প্রশ্ন সাজি নিকটতম আসন্নমান লৈ যোগ, বিয়োগ, পূৰণ কৰিবলৈ দিব।]

বন্ধনীৰ ব্যৱহাৰ ঃ (Use of Brackets)

সংখ্যাৰ যোগ, বিয়োগ, পূৰণ, হৰণ প্ৰক্ৰিয়া নিয়ম মানি কৰিবলৈ বন্ধনী ব্যৱহাৰ কৰা হয়।

উদাহৰণ 1 ঃ 105 × 6

105 × 6 = (100 + 5) × 6

= 100 × 6 + 5 × 6

= 600 + 30 = 630

(ইয়াক যোগ সাপেক্ষে পূৰণৰ বিতৰণ বিধি বোলা হয়।)

$$26 \times 103 = 26 \times (100 + 3)$$
$$= 26 \times 100 + 26 \times 3$$
$$= 2600 + 78$$
$$= 2678$$

উদাহৰণ 2 ঃ গৰমৰ বন্ধত চুমু আৰু ৰুমুৱে 7 দিনৰ বাবে ঘৰৰ বাগিচাত কাম কৰিলে। চুমুৱে প্ৰতিদিনে 4 ঘণ্টা আৰু ৰুমুৱে প্ৰতিদিনে 5 ঘণ্টাকৈ কাম কৰে। দুয়োয়ে 7 দিনত মুঠ কিমান ঘণ্টা কাম কৰিলে ?

চুমুৱে প্ৰতিদিনে কাম কৰে $= 4$ ঘণ্টা

ৰুমুৱে প্ৰতিদিনে কাম কৰে $= 5$ ঘণ্টা

দুয়োয়ে প্ৰতিদিনে কাম কৰে $= 4 + 5 = 9$ ঘণ্টা

$\therefore$ দুয়োৱে মুঠতে 7 দিনত কাম কৰে

$= (4 + 5) \times 7$ ঘণ্টা

$= 9 \times 7$ ঘণ্টা

$= 63$ ঘণ্টা

এনেদৰেও কৰিব পাৰি ঃ

চুমুৱে এদিনত কৰে $= 4$ ঘণ্টা

$\therefore$,, 7 দিনত কৰে $= 4 \times 7$ ঘণ্টা

$= 28$ ঘণ্টা

ৰুমুৱে এদিনত কৰে $= 5$ ঘণ্টা

$\therefore$,, 7 দিনত কৰে $= 5 \times 7$ ঘণ্টা

$= 35$ ঘণ্টা

$\therefore$ দুয়োয়ে মুঠতে কাম কৰে

$= (4 \times 7 + 5 \times 7)$ ঘণ্টা

$= 28$ ঘণ্টা $+ 35$ ঘণ্টা $= 63$ ঘণ্টা

গতিকে দেখা গ'ল (একক বাদ দি)

$$= (4 + 5) \times 7 = (4 \times 7 + 5 \times 7)$$

ইয়াক বন্ধনীৰ বিস্তাৰ বুলিও কোৱা হয়।

উদাহৰণ 3 ঃ 305 × 105

সমাধান ঃ

$$
\begin{aligned}
305 \times 105 &= (300 + 5) \times (100 + 5) \\
&= 300 \times (100 + 5) + 5 \times (100 + 5) \\
&= 300 \times 100 + 300 \times 5 + 5 \times 100 + 5 \times 5 \\
&= 30000 + 1500 + 500 + 25 \\
&= 32025
\end{aligned}
$$

বন্ধনী ব্যৱহাৰ কৰি সমাধান কৰা

(a) 5 × 19 (b) 7 × 108 (c) 16 × 102 (d) 102 × 103

ৰোমান সংখ্যা লিখাৰ প্ৰণালী ঃ (Roman Numerals)

এতিয়ালৈকে আমি ব্যৱহাৰ কৰা সংখ্যাবোৰ হিন্দু আৰবীয় সংখ্যা প্ৰণালী। সংখ্যা লিখাৰ আৰু এটা পদ্ধতি হ'ল ৰোমান সংখ্যা প্ৰণালী।

হিন্দু-আৰবীয় সংখ্যা	ৰোমান সংখ্যা
1	I
2	II
3	III
4	IV
5	V
6	VI
7	VII

হিন্দু-আৰবীয় সংখ্যা	ৰোমান সংখ্যা
8	VIII
9	IX
10	X
50	L
100	C
500	D
1000	M

এই প্ৰণালীত ব্যৱহৃত নিয়মবোৰ

(1) কোনো এটা প্ৰতীক তিনিবাৰতকৈ অধিক পুনৰাবৃত্তি নঘটে। কিন্তু V, L, D ৰকেতিয়াও পুনৰাবৃত্তি নহয়।

(2) একোটা প্ৰতীক যিমানবাৰ পুনৰাবৃত্তি হয় সিমানবাৰ তাৰ মান যোগ হয়।

উদাহৰণ ঃ III = 1+1+1=3

XX = 10 + 10 =20

(3) ডাঙৰ প্ৰতীকৰ সোঁহাতে সৰু প্ৰতীক থাকিলে সৰু প্ৰতীকৰ মান ডাঙৰ প্ৰতীকৰ লগত যোগ হয়।

উদাহৰণ ঃ VI = 5+1=6

XII = 10 + 1 +1 =12

(4) ডাঙৰ প্ৰতীকৰ বাওঁহাতে সৰু প্ৰতীক থাকিলে সৰু প্ৰতীকৰ মানটো বিয়োগ হয়।

উদাহৰণ ঃ IX = 10 – 1= 9

XC = 100 – 10 = 90

(5) V, L, D প্ৰতীক তিনিটা কেতিয়াও প্ৰতিটোতকৈ ডাঙৰ প্ৰতীকৰ বাওঁহাতে নবহে। অৰ্থাৎ VX শুদ্ধ নহয়। XV হে শুদ্ধ।

(6) I ক কেৱল V আৰু X ৰ পৰাহে বিয়োগ কৰা হয়। Xক কেৱল L, M আৰু Cৰ পৰাহে বিয়োগ কৰিব পাৰি। Cক কেৱল D আৰু Mৰ পৰাহে বিয়োগ কৰা হয়।

(7) যদি এটা সৰু প্ৰতীক দুটা ডাঙৰ প্ৰতীকৰ মাজত থাকে তেন্তে সেই সৰু প্ৰতীকটো তাৰ সোঁহাতে থকা ডাঙৰ প্ৰতীকটোৰ পৰা বিয়োগ কৰা হয়।

উদাহৰণ ঃ XIX = 10 + (10–1) = 10 +9 =19

DIX = 500 + (10–1) = 500 + 9 = 509

(8) কোনো এটা প্ৰতীকৰ ওপৰত পথালিকৈ এডাল আঁচ দিলে ই সেই প্ৰতীকৰ মান এহেজাৰ গুণ বঢ়াই দিয়ে।

উদাহৰণ ঃ $\overline{V}$ = 5×1000 = 5000

$\overline{XXI}$ = 21×1000 = 21,000

(XXI = 10+10+1= 21)

চেষ্টা কৰা

1. 49, 91, 206, 587, 1490, 1449, 2019, 5000 ক ৰোমান সংখ্যাত প্ৰকাশ কৰা।
2. তলত দিয়া ৰোমান সংখ্যাবোৰৰ হিন্দু-আৰবীয় সংখ্যাত প্ৰকাশ কৰা-

   XXX, XL, LX, LXX, XC, LXV, DCXXXV,

   MCMXII, MDCCCXLVI, LXIX, XCVIII

জানি লওঁ আহা ঃ

10 মিলি	মিটাৰ	1 চেণ্টিমিটাৰ
	গ্ৰাম	1 চেণ্টিগ্ৰাম
	লিটাৰ	1 চেণ্টিলিটাৰ
10 চেণ্টি	মিটাৰ	1 ডেচিমিটাৰ
	গ্ৰাম	1 ডেচিগ্ৰাম
	লিটাৰ	1 ডেচিলিটাৰ
10 ডেচি	মিটাৰ	1 মিটাৰ
	গ্ৰাম	1 গ্ৰাম
	লিটাৰ	1 লিটাৰ
10	মিটাৰ	1 ডেকা মিটাৰ
	গ্ৰাম	1 ডেকা গ্ৰাম
	লিটাৰ	1 ডেকা লিটাৰ
10 ডেকা	মিটাৰ	1 হেক্ট'মিটাৰ
	গ্ৰাম	1 হেক্ট'গ্ৰাম
	লিটাৰ	1 হেক্ট'লিটাৰ
10 হেক্ট'	মিটাৰ	1 কিলোমিটাৰ
	গ্ৰাম	1 কিলোগ্ৰাম
	লিটাৰ	1 কিলোলিটাৰ

1 কিলোমিটাৰ 1 মিটাৰৰ 1000 গুণ

∴ 1 কিলোমিটাৰ = 1000 মিটাৰ

একেদৰে 1 কিলোগ্ৰাম = 1000 গ্ৰাম

1 কিলোলিটাৰ = 1000 লিটাৰ

1000 মিলিমিটাৰ = 1 মিটাৰ
1000 মিলিলিটাৰ = 1 লিটাৰ
1000 মিলিগ্ৰাম = 1 গ্ৰাম

কৰি চোৱা

1. 2 মিটাৰত কিমান মিলিমিটাৰ ?
2. 26 চেণ্টিমিটাৰত 260 মিলিমিটাৰ হয়নে ?
3. 13 কিলোগ্ৰামক গ্ৰামত প্ৰকাশ কৰা।

4. 9 কিলোমিটাৰত কিমান চেমি?
5. 5 মিলিমিটাৰত কিমান চেমি?
6. 1 মিলিগ্ৰাম = $\frac{1}{10}$ চেণ্টিগ্ৰাম হয়নে?
7. 2 মিটাৰ 70 চেণ্টিমিটাৰত কিমান মিটাৰ?
8. 400 মিটাৰত = ——— কিলোমিটাৰ
9. 25 লিটাৰ = ——— কিলোলিটাৰ
 = ——— মিলিলিটাৰ

অনুশীলনী ঃ

1. আখৰেৰে লিখা-
 (a) 87595762 (b) 48049831
 (ভাৰতীয় আৰু আন্তৰ্জাতিক দুয়োটা পদ্ধতিতে লিখা)
2. উপযুক্ত স্থানত কমা ব্যৱহাৰ কৰি তলৰ সংখ্যাবোৰ ভাৰতীয় আৰু আন্তৰ্জাতিক প্ৰণালীত লিখা।
 3018982, 82160000, 58042513, 34561897, 6015008
3. 2011 চনৰ লোকপিয়ল অনুসৰি অসমৰ জনসংখ্যা 31168272। এই সংখ্যাটো উপযুক্ত কমা ব্যৱহাৰ কৰি ভাৰতীয় পদ্ধতিত প্ৰকাশ কৰা আৰু আখৰেৰে লিখা। আন্তৰ্জাতিক পদ্ধতি অনুসৰি সংখ্যাটো কি বুলি লিখিবা।
4. সংখ্যাত প্ৰকাশ কৰা
 (a) তেসত্তৰ লাখ পয়সত্তৰ হাজাৰ তিনি শ সাত।
 (b) তেইছ লাখ ত্ৰিছ হাজাৰ দহ।
 (c) তিনি কোটি পাঁচ লাখ চল্লিছ।
 (d) সাত কোটি সাতচল্লিছ লাখ সাতচল্লিছ হাজাৰ চাৰি শ সাতচল্লিছ।
 (e) পাঁচ শ একষষ্ঠি হাজাৰ দু শ নব্বৈ
 (f) ছয় মিলিয়ন ছশ আঠাশী হাজাৰ সাত শ সাতানব্বৈ।
 (g) এক মিলিয়ন ন শ চৈধ্য হাজাৰ দুশ ন।
5. 1991 চনত এখন চহৰৰ জনসংখ্যা আছিল 2,35,471 জন আৰু 2001 চনত ইয়াৰ জনসংখ্যা 72,958 জন বৃদ্ধি পালে। 2001 চনত চহৰখনৰ জনসংখ্যা কিমান হ'ব?
6. কোনো এখন ৰাজ্যত 2002-2003 চনত বিক্ৰী হোৱা চাইকেলৰ সংখ্যা আছিল 7,43,000 খন 2003–2004 চনত বিক্ৰী হোৱা চাইকেলৰ সংখ্যা আছিল 8,00,100 খন। কোন বছৰত বেছি চাইকেল বিক্ৰী হৈছিল? আৰু কিমান বেছি বিক্ৰী হৈছিল?

7. চহৰ এখনত দৈনিক বাতৰি কাকতখন 12 পৃষ্ঠাৰ। প্ৰতিদিনে ছপা হয় 11,980 খন। প্ৰতিদিনে কিমান পৃষ্ঠা ছপা হয়, নিৰ্ণয় কৰা।

8. টোকাবহী প্ৰস্তুত কৰিবলৈ 75,000 খিলা কাগজ আছে। প্ৰতিখিলা কাগজৰ পৰা বহীখনৰ 4খন পৃষ্ঠা হয়। প্ৰতিখন টোকাবহীত 200 পৃষ্ঠাকৈ আছে। এইখিনি কাগজৰ পৰা কেইখন টোকাবহী পাব পৰা যাব?

9. তলৰ আঁচটনা অংকবোৰৰ স্থানীয় মান লিখা

(a) 4<u>5</u>367 (b) 70<u>8</u>453

(c) 2<u>7</u>6367<u>0</u>8 (d) 6<u>1</u>4001

10. উপযুক্ত স্থানত ভাৰতীয় পদ্ধতিত কমা ব্যৱহাৰ কৰি খালী ঠাই পূৰ কৰা: (লগতে >, =, < ব্যৱহাৰ কৰিবা)

(a) 124054 [<] 2140589

(b) 24456122 [<] 34547892

(c) 90000001 [>] 9000001

(d) 111111 [=] 111111

11. বিস্তৃত ৰূপত লিখা

(a) 792456 (b) 8000670 (c) 4279

(d) 5690 (e) 90007000

12. মনীষাই দোকানৰ পৰা 12 কিলোগ্ৰাম 250 গ্ৰাম চেনী, 25 কিলোগ্ৰাম 750 গ্ৰাম চাউল, 2 কিলোগ্ৰাম নিমখ আৰু 350 গ্ৰাম জিৰা কিনিলে। তেওঁ মুঠ কিমান ওজনৰ বস্তু কিনিলে?

13. এটা টেংকীত 200 কিলোলিটাৰ পানী ধৰে। প্ৰথম দিনত 84 কিলোলিটাৰ.950 লিটাৰ পানী ওলাই গ'ল। টেংকীটোত কিমান পানী বাকী থাকিল? (লিটাৰত প্ৰকাশ কৰা)

14. তলত দিয়াবোৰৰ নিকটতম স্থানলৈ আসন্নমান নিৰ্ণয় কৰা।

(i) 27, 41, 95, 38, 59, 72, 64, 135, 4931, 51630, 7325114 (নিকটতম দহলৈ)

(ii) 360, 720, 110, 690, 555, 839, 281, 2457, 6666, 615320 (নিকটতম শতকলৈ)

(iii) 8100, 1900, 4500, 9300, 6630, 5295, 4444, 61620 (নিকটতম হাজাৰলৈ)

(iv) 140000, 770000, 320000, 890000, 435000, 651230, 7325114, 64296045 (নিকটতম লাখলৈ)

(v) 7, 34, 21, 846 ক নিকটতম কোটিলৈ আসন্নমান নিৰ্ণয় কৰা।

15. 640 আৰু 740 ৰ মাজৰ নিকটতম শতকলৈ 700 হোৱা যিকোনো 5টা সংখ্যা লিখা।

16. 157249 সংখ্যাটো নিকটতম দহলৈ আসন্নমান নিৰ্ণয় কৰা। নতুন সংখ্যাটোক পুনৰ নিকটতম হাজাৰলৈ আসন্নমান নিৰ্ণয় কৰা। পুনৰ সেই নতুন সংখ্যাটোক নিকটতম লাখলৈ আসন্নমান নিৰ্ণয় কৰা।

17. তলৰ সংখ্যাবোৰ ৰোমান সংখ্যাত লিখা।

(a) 225 (b) 600 (c) 906 (d) 598 (e) 56
(f) 555 (g) 53 (h) 69 (i) 999

18. তলৰ ৰোমান সংখ্যাবোৰ হিন্দু আৰবিক পদ্ধতিত লিখা।

(a) CMXCIV (b) CLXX (c) CDX (d) DCXLIX
(e) CCCXXV (f) DCCCLXXXVIII (g) XLV (h) XXIII
(i) XCVIII (j) CCLVI

19. যোগফল ভাৰতীয় পদ্ধতিত প্ৰকাশ কৰা

(a) (7296325 + 4173243) + 45639

(b) 7281639 + 568548) + 4251408

(c) 4253798 + 61271037 + 3821570

20. পূৰণফল ভাৰতীয় পদ্ধতিত প্ৰকাশ কৰা

(i) 6250 × 625 (ii) 40003 × 203

(iii) 39625 × 75 (iv) 48062 × 243

21. মোটামুটি যোগ কৰা

(a) 6290 + 19986

(b) 108734 + 47599

(c) 5672 + 536

(d) 439 + 334 + 4317

(e) 7245506 + 1068297

(f) 6404759 + 5869422

22. মোটামুটি বিয়োগ কৰা

(a) 95 – 91

(b) 439 – 334

(c) 798 – 232

(d) 8325 – 48365

(e) 489348 – 48365

(f) 107634 – 67599

(g) 3638775 – 540060

23. মোটামুটি পূৰণ কৰা -

(a) 378×62

(b) 578×61

(c) 7250×29

(d) 24725×31

(e) 59986×245

(f) 360345×3456

24. এজন মানুহে ঘৰ সাজিবৰ কাৰণে 1263501 টকাৰে এটুকুৰা মাটি কিনিলে। ঘৰ সাজিবৰ কাৰণে কিছু টকা তেওঁ খৰচ কৰিলে। তেওঁৰ মুঠ খৰচ হ'ল 1860257 টকা। তেওঁ ঘৰ সাজিবৰ কাৰণে কিমান টকা খৰচ কৰিলে ?

25. এখন কিতাপৰ দোকানত 2011 চনৰ প্ৰথম ছমাহত 32307 খন কিতাপ আৰু পিছৰ ছমাহত 22690 খন কিতাপ বিক্ৰী কৰিলে। 2011 চনত মুঠ কিমান কিতাপ বিক্ৰী কৰিলে? প্ৰতি ছমাহৰ নিকটতম হাজাৰলৈ আসন্নমানৰ মুঠ বিক্ৰী কিতাপ আৰু মুঠ কিতাপৰ মাজৰ তুলনা কৰা।

26. তোমাৰ বিদ্যালয়ৰ পুথিভঁৰালত মুঠ 226458 খন কিতাপ আছে। বছৰৰ আৰম্ভণিৰ প্ৰথম সপ্তাহত মুঠ 49957 খন কিতাপ ছাত্ৰ-ছাত্ৰীক দিয়া হ'ল। পুথিভঁৰালটোত মুঠ কিমানখন কিতাপ থাকিল? (নিকটতম হাজাৰলৈ আসন্নমান নিৰ্ণয় কৰি পাৰ্থক্য উলিওৱা আৰু তুলনা কৰা)

27. এটা মটৰ চাইকেল ব্যৱসায়ীৰ 85 খন মটৰ চাইকেল আছে। প্ৰতিখন মটৰ চাইকেলৰ দাম 57690 টকা। 85 খন মটৰ চাইকেলৰ মুঠ দাম নিৰ্ণয় কৰা।

28. এখন বাছৰ গুৱাহাটীৰ পৰা যোৰহাটলৈ প্ৰতিটো টিকটৰ দাম 403 টকা। বাছখনৰ মুঠ আসনৰ বিপৰীতে মুঠ টিকটৰ দাম 24180 টকা বাছখনৰ মুঠ আসনৰ সংখ্যা উলিওৱা।

29. এজন মানুহে 13 কিমি চাইকেলেৰে যোৱাৰ পাছত 44 কিমি বাছেৰে গ'ল আৰু শেষত 5 কি.মি. খোজকাঢ়ি তেওঁৰ গন্তব্য স্থান পালেগৈ। মানুহজনে মুঠতে কিমান কিমি গ'ল?

30. এজন দোকানীয়ে প্ৰথম দিনা প্ৰতি কিলোত 35 টকাকৈ 25 কিলোগ্ৰাম, দ্বিতীয় দিনা প্ৰতি কিলোত 30 টকাকৈ 40 কিলোগ্ৰাম আৰু তৃতীয় দিনা 25 টকাকৈ 30 কিলোগ্ৰাম চাউল বেচিলে। তিনিও দিনৰ ভিতৰত দোকানীজনে মুঠ কিমান কিলোগ্ৰাম চাউল কিমান টকাত বেচিলে?

31. এখন বিদ্যালয়ত 40 জন ছাত্ৰ-ছাত্ৰী আছে। প্ৰত্যেকজন ছাত্ৰ বা ছাত্ৰীক 250 মিলিলিটাৰকৈ গাখীৰ দিলে কিমান লিটাৰ গাখীৰৰ প্ৰয়োজন হ'ব?

32. এজন গুৱালে প্ৰতিদিনে 3 খন হোটেলত গাখীৰ দিয়ে (প্ৰথমখনত 13 লিটাৰ, দ্বিতীয়খনত 15 লিটাৰ 250 মিলিলিটাৰ, তৃতীয়খনত 17 লিটাৰ 750 মিলিলিটাৰ গাখীৰ দিলে। গুৱালজনে দৈনিক কিমান লিটাৰ গাখীৰ দিয়ে।

উত্তৰ মালা

1. ভাৰতীয় পদ্ধতিত ঃ (a) আঠ কোটি পয়সত্তৰ লাখ পছান্নব্বৈ হাজাৰ সাতশ বাষষ্ঠি।
(b) চাৰি কোটি আশী লাখ ঊনপঞ্চাছ হাজাৰ আঠশ একত্ৰিশ।

আন্তৰ্জাতিক পদ্ধতিত ঃ (a) সাতাশী মিলিয়ন পাঁচশ হাজাৰ সাতশ বাষষ্ঠি
(b) আঠচল্লিছ মিলিয়ন ঊনপঞ্চাছ হাজাৰ আঠশ একত্ৰিশ।

2. ভাৰতীয় পদ্ধতিত ঃ 30,18,982; 8,21,60,000; 5,80,42,513; 3,45,61,897; 60,15,008

আন্তৰ্জাতিক পদ্ধতিত ঃ 3,018,982; 82,160,000; 58,042,513 34,561,897; 6,015,008

3. ভাৰতীয় পদ্ধতিত ঃ 3,11,68,272

আন্তৰ্জাতিক পদ্ধতিত ঃ 31,168,272

তিনি কোটি এঘাৰ লাখ আঠষষ্ঠি হাজাৰ দুশ বাসত্তৰ

4. (a) 73,75,307 (b) 23,30,010 (c) 3,05,00040
(d) 7,47,47,447 (e) 561,290 (f) 6,688,797 (g) 1,914,209

5. 3,08,429 জন

6. 2003–2004 বছৰত; 57100 খন বেছি বিক্ৰী হৈছিল

7. 143760 পৃষ্ঠা

8. 3000 খন বহী

9. (a) 5 ৰ স্থানীয় মান 5 হাজাৰ $= 5 \times 1000 = 5000$

(b) 8 ৰ স্থানীয় মান 8 হাজাৰ $= 8 \times 1000 = 8000$

(c) 0 ৰ স্থানীয় মান 0 দহ $= 0 \times 10 = 0$

7 ৰ স্থানীয় মান 7 দহ লাখ = 7 নিযুত
$= 7 \times 1000000$
$= 7000000$

(d) 1ৰ স্থানীয় মান 1 একক = 1 আৰু

1 দহ হাজাৰ = 1 নিযুত
$= 1 \times 10000$

$= 10000$

10. (a) $<$ (b) $<$ (c) $>$ (d) $=$

11. (a) $792456 = 7\times100000 + 9\times10000 + 2\times1000 + 4\times100 + 5\times10 + 6\times1$

    (b) $8000670 = 8\times1000000 + 0\times100000 + 0\times10000 + 0\times1000 + 6\times100 + 7\times10 + 0\times1$

    (c) $4279 = 4\times1000 + 2\times100 + 7\times10 + 9 \quad 1$

    (d) $56090 = 5\times10000 + 6\times1000 + 0\times100 + 9\times10 + 0 \quad 1$

    (e) $90007000 = 9\times10000000 + 0 \quad 1000000 + 0\times100000 + 0\times10000 +$
    $7\times1000 + 0\times100 + 0\times10 + 0\times1$

12. 58 কিলোগ্ৰাম 350 গ্ৰাম

13. 11505 লিটাৰ

14. (i) 30, 40, 100, 40, 60, 70, 60, 140, 4030, 51630, 7325110

    (ii) 400, 700, 100, 700, 600, 800, 300, 2400, 6700, 615300

    (iii) 8000, 2000, 5000, 9000, 7000, 5000, 4000, 6200

    (iv) এজন শিক্ষকে বুজাই দিব আৰু শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দি নিৰীক্ষণ কৰিব।

    (v) 7,00,00,000

15. ছাত্ৰ-ছাত্ৰীয়ে নিজে লিখিব শিক্ষকে চাব

16. 157250; 157000; 200000

17. (a) CCXXV (b) DC (c) CMVI (d) DXCVIII
    (e) LVI (f) DLV (g) LIII (h) LXIX (i) CMXCIX

18. (a) 1014 (b) 170 (c) 410 (d) 649 (e) 325
    (f) 888 (g) 45 (h) 23 (i) 98 (j) 256

19. (a) 11515207 (b) 3598779 (c) 61703265

20. (i) 39,06,250 (ii) 81,20,609
    (iii) 29,71,875 (iv) 1,16,79,066

21. (a) 26000 (b) 150000 (c) 6500 (d) 4700

(e) 8000000 (f) 12000000

22. (a) 1[illegible] (b) 100 (c) 600 (d) 7500

(e) 450000 (f) 30000 (g) 3500000

23. (a) 24000 (b) 36000 (c) 210000 (d) 600000

24. 596756 টকা

25. আসন্নমান 54700

সঠিক মান 54993

26. আসন্নমান 176501 খন বাকী থাকিল

সঠিক মান 176500 খন বাকী থাকিল

27. 4,903,650 টকা

28. 60 টা

29. 106 কিমি

30. 95 কিগ্রা, 2825 টকা

31. 20 লিটাৰ

32. 46 লিটাৰ

ooooo